**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে আজি পুৱা ঈদৰ নামাজ পঢ়া হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়ে। ঈদৰ সময়ত কোনো ঠাইতে যাতে অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি নহয় তাৰ বাবে জিলা প্ৰশাসনে ঈদ উদযাপন সমিতি আৰু আৰক্ষীৰ সৈতে এখন বৈঠকত মিলিত হয়। বিভিন্ন ঠাইৰ পৰা আহি কৰ্মসংস্থাপনৰ বাবে মহানগৰীত বসবাস কৰা বহুসংখ্যক লোকে ঈদ উপলক্ষে নিজ নিজ গৃহ চহৰলৈ যাত্ৰা কৰাৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ জালুকবাৰী, আদাবাৰী, আই এছ বি টিকে ধৰি বিভিন্ন স্থানত কালি যথেষ্ট ভিৰ পৰিলক্ষিত হয়। শ্ৰীভূমি জিলাৰ বিভিন্ন মছজিদ আৰু ঈদগাহত পুৱাৰ ভাগতে সমূহীয়া নামাজ পঢ়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঈদ-উজ-জোহা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱ হৈছে ভক্তি, ত্যাগ আৰু নিস্বাৰ্থতাৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক মানৱতাৰ সেৱাৰ বাবে অনুপ্ৰাণিত কৰে। সমাজত প্ৰেম আৰু সম্প্ৰীতিৰ প্ৰসাৰৰ হকে সংকল্প শক্তিশালী কৰিবলৈ তেওঁ সকললোলৈ আহ্বান জনায়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঈদ উপলক্ষে ৰাজ্যবাসী বিশেষকৈ ইচলাম ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাজ্যপাল আৰ্চায্যই তেওঁৰ বাৰ্তাত কয় যে, ঈদ-উল-জোহাই ত্যাগ, কৰুণা, দয়া, আস্থা আৰু ভাতৃত্ববোধৰ শ্বাশ্বত প্ৰমূল্যৰাজিক প্ৰতিফলিত কৰে। তেওঁ লগতে সমাজৰ সকলো শ্ৰেণীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰি শান্তি-সম্প্ৰতি আৰু পাৰস্পৰিক সন্মানৰ মনোভাৱেৰে এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

এই পবিত্ৰ উৎসৱে এখন সৰ্বাত্মক আৰু মৰম ভালপোৱাৰে ভৰা সমাজ গঢ়াৰ বাবে সদিচ্ছা, সহিষ্ণুতা আৰু সমুহীয়া দায়িত্বৰ আৰ্দশৰাজি বৰ্তাই ৰাখিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ সম্প্ৰতি সদভাৱনা আৰু ভাতৃত্ববোধৰ চহকী ঐতিহ্য ৰাজ্যখনৰ মহান শক্তি বুলি অভিহিত কৰি শ্ৰীআচাৰ্য্যই এই উৎসৱে ৰাজ্যৰ জনসাধাৰণৰ মাজত একতা আৰু বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই তেওঁ বাৰ্তাত ঈদৰ এই পৱিত্ৰ উৎসৱে সকলোৰে অন্তৰ আত্মা ত্যাগ, বিশ্বাস আৰু ভাতৃত্ববোধৰ আদৰ্শৰেৰে উজ্বলাই তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যত বহু বিবাহ নিষিদ্ধ, লিভইন সম্পৰ্কৰ পঞ্জীয়ন বাধ্যতামূলক আৰু কন্যা সন্তানকো সম্পত্তিৰ উত্তৰাধিকাৰ প্ৰদানৰ লগতে মহিলাৰ সুৰক্ষা আৰু সম অধিকাৰ নিশ্চিত কৰি কালি বিধানসভাত বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন গৃহীত হয়। বিৰোধীয়ে বিধানসভাৰ বাছনি সমিতিলৈ প্ৰেৰণৰ বাবে জনোৱা দাবীক নসাৎ কৰি

শাসকীয় পক্ষৰ উত্তাল শ্ল'গানৰ মাজতে ধ্বনি ভোটত বিধেয়কখন গ্ৰহণ কৰা হয়। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত অসম উমৈহতীয়া দেৱানী বিধি গ্ৰহণ কৰা দেশৰ তৃতীয়খন ৰাজ্যৰূপে পৰিগণিত হয়। এই বিধেয়কখন বলৱৎ হ'লে বহুবিবাহ সম্পূৰ্ণ ৰূপে নিষিদ্ধ হোৱাৰ লগতে বিবাহ বিচ্ছেদ আৰু লিভইন সম্পৰ্কত থকা সকলৰ পঞ্জীয়ন বাধ্যতামূলক হ'ব। উমৈহতীয়া দেৱানী বিধিৰ অধীনত সকলো বিবাহ আৰু লিভইন সম্পৰ্ক ক্ৰমে ৬০ আৰু ৩০ দিনৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। বিবাহ আৰু বিবাহ বিচ্ছেদ নিৰ্দিষ্ট সময়ৰ ভিতৰত পঞ্জীয়ন নহ'লে শাস্তিমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব। লিভইন সম্পৰ্ক ৩০ দিনৰ ভিতৰত পঞ্জীয়ন নকৰিলে ৩ মাহ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ হাজাৰ টকা পৰ্যন্ত জৰিমণা বা দুয়োটাই শাস্তি হ'ব পাৰে।

*বাইট- চি এম*

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কালি অন্তিম দিনা ইয়াৰ পূৰ্বে বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে। ভাৰতত ২০২৫ চনৰ পৰাই এই বিধি সন্দৰ্ভত কাম-কাজ অব্যাহত আছে। বহু বিবাহ সভ্য সমাজৰ প্ৰথা হ'বই নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্ম নিৰপেক্ষ দেশত সংবিধানৰ শাসনহে চলিব। সংবিধানৰ ৪৪ নম্বৰ অনুচ্ছেদ মৰ্মে উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয় যে এই বিষয়ত বিজেপি বা আৰ এছ এছৰ কোনো স্বাৰ্থ নাই। জনজাতীয় লোকৰ নিজস্ব নিয়ম আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে জনজাতীয় সমাজে বহু বিবাহক কেতিয়াও স্বীকৃতি নিদিয়ে আৰু সেয়েহে তেওঁলোকক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ বাহিৰত ৰখা হৈছে।

**(বাইট-১ ঃ চি এম)**

উমৈহতীয়া দেৱানী বিধিৰ জৰিয়তে সংখ্যালঘুৰ তোষণ বন্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তা প্ৰকাশ কৰে। তেওঁ কংগ্ৰেছ দলে বিশেষ ধৰ্মীয় গোষ্ঠীৰ স্বাৰ্থৰ হকে কাম কৰে বুলি অভিযোগ তোলে। ড০ শৰ্মাই জনপ্ৰতিনিধিসকলক ধৰ্ম নিৰপক্ষতাৰ প্ৰতিনিধিত্ব কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে উমৈহতীয়া দেৱানী বিধিয়ে বিবাহ আৰু বিচ্ছেদৰ দৰে বিষয়সমূহ নিয়ন্ত্ৰণ কৰিব। নিয়ন্ত্ৰণ কৰিবলগীয়া দিশসমূহৰ সবিশেষ প্ৰকাশ কৰি ড০ শৰ্মাই এইদৰে কয়-

**(বাইট-২ ঃ চি এম)**

শাসকীয় বিজেপি দলৰ বিধায়ক পীযুষ হাজৰিকাই বিতৰ্কত ভাগ লৈ ৰাষ্ট্ৰীয় সংহতি আৰু সমতাৰ বাবে বিধেয়কখন জৰুৰী বুলি মন্তব্য কৰে। একেদৰে শাসক পক্ষৰ হৈ বিশ্বজিৎ দৈমাৰীয়ে বিধেয়কখনৰ সপক্ষে যুক্তি দাঙি ধৰে।

বিধানসভাত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীয়ে আলোচনাত ভাগ লৈ অসমত উমৈহতীয়া দেৱানী বিধিৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰে।

উমৈহতীয়া দেৱানী বিধি বিধেয়কখন গৃহীত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় (সংশোধনী) বিধেয়ক সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰে।

০০০০০০

ওদালগুৰি জিলাৰ আৰক্ষীয়ে জিলাখনত মাদক দ্ৰব্য বিৰোধী অভিযান তীব্ৰ কৰি তুলিছে। যোৱা নিশা গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে ওদালগুৰি চহৰৰ মহিলা বজাৰত প্ৰায় ২ কিলোগ্ৰাম গাঞ্জাসহ এগৰাকী মহিলাক আটক কৰে। ইফালে ৰৌতা থানাৰ আৰক্ষীয়ে কালি সন্ধিয়া ৰৌতা ৰে'ল ষ্টেচনৰ সমীপৰ পৰা ৪৬ কিলোগ্ৰাম গাঞ্জাৰ সৈতে এজন সৰবৰাহকাৰীক আটক কৰে।

০০০০০০

**সমাপ্ত**